তাৰিখ : ১৫/১১/২০১৭

সমীপেষু,

১। সভাপতি/সচিব, পৰিচালনা সমিতি

২। অধ্যক্ষ/প্ৰধান শিক্ষক

---------------------------- বিদ্যালয়

বিষয় : অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী

মহোদয়/মহোদয়া,

আমি আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে ১৯৯৪ চনৰ ১ জানুৱাৰিত প্ৰতিষ্ঠিত হোৱা অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱ ২০১৮ চনৰ ১ জানুৱাৰিৰ পৰা ২০১৯ চনৰ ১ জানুৱাৰিলৈ বছৰজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হ'ব।

যোৱা ১২/১১/২০১৭ তাৰিখে অনুষ্ঠিত হোৱা অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিত্বমূলক সভাৰ পৰামৰ্শ আৰু সিদ্ধান্ত মৰ্মে অজাবিৰ ৰূপালী জয়ন্তী উদযাপনৰ কাৰ্যক্ৰমণিকাত অসমৰ বিভিন্ন প্ৰান্তত অজাবি শিক্ষা সংসদ (এজবেক)ৰ নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয়সমূহকো জড়িত কৰি এনে কাৰ্যক্ৰমণিকাক ৰাজ্য জুৰি জাতীয় বিদ্যালয়ৰ নীৰৱ আন্দোলনৰ এক সামূহিক কাৰ্যসূচীলৈ ৰূপান্তৰ কৰাৰ পৰিকল্পনা কৰা হৈছে।

প্ৰাৰম্ভিক পৰ্যায়ত এনে কাৰ্যক্ৰমণিকাৰ এক চমু আভাষ আপোনালোকৰ জ্ঞাতাৰ্থে দাঙি ধৰা হ'ল।

১। ১ জানুৱাৰি, ২০১৮ তাৰিখে অসম জাতীয় বিদ্যালয় (নুনমাটি)ৰ লগতে সকলো এনে বিদ্যালয়ত ৰাতিপুৱা ৯ বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰা হ'ব। ৯ বজাৰ পৰা ১০/১০.৩০ বজালৈ ৰূপালী জয়ন্তী উদযাপনৰ চমু কাৰ্যসূচী। ১০/১০.৩০ বজাত শোভাযাত্ৰা। স্থানীয়ভাৱে সময়ৰ সাল-সলনি হ'ব পাৰে।

২। বছৰটোৰ বিভিন্ন সময়ত গুৱাহাটীত কেন্দ্ৰীয়ভাৱে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ/বক্তৃতা কাৰ্যসূচী।

৩। জিলা পৰ্যায়ত আলোচনা চক্ৰ।

৪। আন্তঃ জাতীয় বিদ্যালয় সাহিত্য, সংস্কৃতি, তৰ্ক আদি প্ৰতিযোগিতা- জিলা পৰ্যায় আৰু পিছলৈ ৰাজ্যিক পৰ্যায়।

৫। বিভিন্ন প্ৰকাশন।

৬। ১ জানুৱাৰি, ২০১৯ তাৰিখে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আৰু শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী সমাৰোহ।

*(সিপিঠিত)*

এনে কাৰ্যসূচীসমূহ ৰূপায়ন কৰাৰ বাবে প্ৰতিখন জিলাতে একোখন ‘ৰূপালী জয়ন্তী উদযাপন সমন্বয়ৰক্ষী সমিতি’ গঠন কৰাৰ পৰিকল্পনা কৰা হৈছে। প্ৰতিখন জিলাৰ জাতীয় বিদ্যালয়সমূহ একত্ৰিত হৈ অতিশীঘ্ৰে এনে সমিতি গঠন কৰি ল’লে পৰৱৰ্তী কাম-কাজ আগবঢ়াই নিয়াত সহায়ক হ’ব। এনে জিলা সমন্বয়ৰক্ষী সমিতিৰ পৰা কেইগৰাকীমান প্ৰতিনিধিক (৩ৰ পৰা ৫) অজাবি ৰূপালী জয়ন্তী উদযাপন কেন্দ্ৰীয় সমিতিৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হ’ব। এই প্ৰক্ৰিয়াটো ৩০/১১/২০১৭ৰ ভিতৰত সম্পূৰ্ণ কৰাটো বাঞ্ছনীয়। ০১/০১/২০১৮ তাৰিখৰ উদ্বোধনী অনুষ্ঠান আৰু শোভাযাত্ৰাৰ পৰিকল্পনাও ডিছেম্বৰ মাহৰ প্ৰথম ভাগতেই প্ৰস্তুত কৰি ল’ব। সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক, স্থানীয় নাগৰিক, বিভিন্ন সাংস্কৃতিক গোষ্ঠীক এনে অনুষ্ঠানত জড়িত কৰিব পাৰিব।

১৫ ডিছেম্বৰ, ২০১৭ বা তাৰ আগেয়ে জিলা পৰ্যায়ৰ সমন্বয়ৰক্ষী সমিতি, জিলা প্ৰতিনিধিৰ নাম, পদবী, ফ’ন নম্বৰ, ই-মেইল আৰু উদ্বোধনী অনুষ্ঠানৰ কাৰ্যসূচী ডাকযোগে বা ই-মেইলত (assamjatiyabidyalay@gmail.com) আমালৈ প্ৰেৰণ কৰিব পাৰিব। এনে সকলো যোগাযোগ পত্ৰৰ শীৰ্ষত ‘ৰূপালী জয়ন্তী’ শব্দ দুটা উল্লেখ কৰিব।

বিশদ জানিবৰ বাবে ফ’নযোগে যোগাযোগ কৰিব।

ধন্যবাদ সহকাৰে,

*(ৰঞ্জিত নাৰায়ণ ডেকা)*
ৰেক্টৰ
অসম জাতীয় বিদ্যালয়

*(ঘনশ্যাম মেধি)*
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

*(দিলীপ কুমাৰ দত্ত চৌধুৰী)*
সভাপতি আৰু কোষাধ্যক্ষ

*(ডাঃ নাৰায়ণ শৰ্মা)*
সচিব

অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি